**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ পাঁচখন দেশ ভ্ৰমণৰ কাৰ্যসূচী সামৰি আজি নতুন দিল্লীত উপস্থিত হৈছে।
২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাঁচিত হ'বলগীয়া ২৭ সংখ্যক পূব মণ্ডলীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব।
৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বেংক ব্যৱস্থাৰ বহিঃৰ্ভূত বিত্তীয় কোম্পানীৰ পৰা ঋণৰ ধন আদায় কৰা প্ৰক্ৰিয়া নিকা, সহানুভূতিপূৰ্ণ আৰু সন্মানজনক হ'ব লাগে বুলি উল্লেখ কৰিছে।
৪। গুজৰাটৰ বড়োডৰা জিলাত কালি এখন দলং খহি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১২ লৈ বৃদ্ধি পাইছে।

আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ তৃতীয়খন টেষ্ট আজি ল'ৰ্ডছত আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ পাঁচখন দেশ ভ্ৰমণৰ কাৰ্যসূচী সামৰি আজি নতুন দিল্লীত উপস্থিত হৈছে। শ্ৰী মোদীয়ে এই ভ্ৰমণকালত ঘানা, ত্ৰিনিদাদ আৰু টবাগ', আৰ্জেণ্টিনা, ব্ৰাজিল আৰু নামিবিয়াৰ মুৰব্বীসকলৰ সৈতে ভাৰত আৰু এই দেশসমূহৰ মাজত সম্পৰ্ক সুদৃঢ় কৰা সন্দৰ্ভত আলোচনা কৰে। শ্ৰী মোদীয়ে লগতে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত ব্ৰিক্‌ছ শীৰ্ষ সন্মিলনতো অংশ লয়। গ্ল'বেল ছাউথ অৰ্থাৎ অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে পিছপৰা দেশসমূহৰ লগতে আটলাণ্টিকৰ দুয়োপাৰে অংশীদাৰিত্ব শক্তিশালী কৰা আৰু ব্ৰিক্‌ছ, আফ্ৰিকীয় সংঘ, ইক'ৱাছ আৰু কেৰিকমৰ দৰে বহুপাক্ষিক মঞ্চসমূহত সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীয়ে এই দেশকেইখন ভ্ৰমণ কৰিছিল।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাঁচিত হ'বলগীয়া ২৭ সংখ্যক পূব মণ্ডলীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। এই বৈঠকত দেশৰ পূব অঞ্চলৰ ৰাজ্য- ঝাৰখণ্ড, বিহাৰ, ওড়িশা আৰু পশ্চিমবংগৰ ৭০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী মোহনচৰণ মাঝি, উপ-মুখ্যমন্ত্ৰী পাৰ্বতী পৰিদা, মন্ত্ৰী মুকেশ মহালিংগমে ওড়িশাক প্ৰতিনিধিত্ব কৰিব। বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সমৰাট চৌধাৰী আৰু পশ্চিমবংগৰ মন্ত্ৰী চন্দ্ৰিকা ভট্টাচাৰ্যই ৰাজ্য দুখনৰ হৈ এই বৈঠকত প্ৰতিনিধিত্ব কৰিব। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে মুখ্য সচিব, গৃহ সচিব, আৰক্ষী মহানিৰ্দেশক আৰু বিভিন্ন বিষয়াৰ সৈতে এই বৈঠকত ঝাৰখণ্ডক প্ৰতিনিধিত্ব কৰিব। বৈঠকত ঝাৰখণ্ড, বিহাৰ, ওড়িশা আৰু পশ্চিমবংগৰ মাজৰ আন্তঃৰাজ্যিক বিষয়সমূহ আলোচনা কৰাৰ লগতে পূৰ্বৰ পৰিষদীয় বৈঠকৰ অগ্ৰগতি আৰু সিদ্ধান্তসমূহৰ পৰ্যালোচনা কৰা হ'ব।

০০০০০০

আজি গুৰু পূৰ্ণিমা। ভাৰতীয় পৰম্পৰাত গভীৰভাৱে শিপাই থকা হিন্দু ধৰ্মৰ এই পৱিত্ৰ দিনটো শিক্ষাগুৰুসকলৰ সন্মানাৰ্থে উচৰ্গা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰু পূৰ্ণিমা উপলক্ষে সমূহ দেশবাসীলৈ শুভেচ্ছা জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও দেশবাসীক গুৰু পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰি ভাৰতীয় পৰম্পৰাত গুৰু-শিষ্যৰ পৱিত্ৰ সম্পৰ্কৰ গুৰুত্বত আলোকপাত কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও সকলোকে গুৰু পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰতীয় সনাতনী সংস্কৃতিত গুৰু পূৰ্ণিমাৰ গুৰুত্বৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে জীৱন গঢ়াৰ যিকোনো ক্ষেত্ৰতে গুৰুৰ ভূমিকা সদায় অমূল্য।

০০০০০০০০

কৰ্ণাটকৰ বিধায়ক এছ্ এন চুববা ৰেড্ডী আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলে অপ্ৰকাশিত বিদেশী সম্পত্তি ৰখাৰ অভিযোগ সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ে আজি বাংগালুৰুৰ পাঁচটা স্থানত তালাচী অভিযান চলায়। বিধি বলৱৎকাৰী সঞ্চালকালয়ে অভিযুক্তসকলৰ বাসগৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠাৰ লগতে তেওঁলোকৰ সহযোগীসকলৰ গৃহতো অভিযান

চলায়। অভিযুক্তসকলৰ বিৰুদ্ধে বিদেশী একাউণ্টত ধন জমা ৰখা, বিভিন্ন বাহনত কৰা বিনিয়োগ আৰু মালয়েছিয়া, হংকং আৰু জাৰ্মানীকে ধৰি বিভিন্ন দেশত স্থাৱৰ সম্পত্তি থকাৰ গোচৰ আছে।

০০০০০০০০০

জম্মুৰ ভাগৱতী নগৰ মূল শিবিৰৰ পৰা আজি পুৱা সাত হাজাৰ তিনিশৰো অধিক তীৰ্থযাত্ৰীৰ এটা দল অমৰনাথৰ পৱিত্ৰ গুহা দৰ্শনৰ বাবে ৰাওনা হয়। ভাগৱতী নগৰ শিবিৰৰ পৰা ২৮৪ খন বাহনেৰে তীৰ্থযাত্ৰীসকলক লৈ যোৱা হৈছে। কালি পৰ্যন্ত ১৭ হাজাৰৰো অধিক লোকে অমৰনাথ ধামত পূজা অৰ্চনা কৰে। এই বছৰ অমৰনাথৰ পৱিত্ৰ গুহা দৰ্শনৰ বাবে যোৱা তীৰ্থযাত্ৰীৰ সংখ্যা এক লাখ ২৮ হাজাৰৰো অধিক হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বেংক ব্যৱস্থাৰ বহিঃৰ্ভূত বিত্তীয় কোম্পানী - NBFCৰ পৰা ঋণৰ ধন আদায় কৰা প্ৰক্ৰিয়া নিকা, সহানুভূতিপূৰ্ণ আৰু সন্মানজনক হ'ব লাগে বুলি উল্লেখ কৰিছে। তেওঁ লগতে ঋণ আদায় কৰা প্ৰক্ৰিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিকা প্ৰক্ৰিয়া সংহিতাৰ সৈতে অনুৰূপ হোৱা উচিত বুলি উল্লেখ কৰে। নতুন দিল্লীত NBFC চিম্প'চিয়ামত দিয়া ভাষণত বিত্ত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিত্তীয় অন্তৰ্ভুক্তিৰ আঁৰত বিত্তীয় শোষণ কৰিব নালাগে। গ্ৰাহকৰ প্ৰয়োজন তথা ঋণ ঘূৰাই দিয়াৰ সামৰ্থ্যৰ ওপৰত ভিত্তি কৰিহে ঋণ দিয়া উচিত মন্তব্য কৰে।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বিভিন্ন এলেকা পৰৱৰ্তী ছদিনলৈ  মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণৰ কবলত পৰাৰ সম্ভাৱনা জাৰি কৰিছে। এই অঞ্চলসমূহৰ লগতে মধ্য প্ৰদেশ, ছট্টিশগড় আৰু বিদৰ্ভত পৰৱৰ্তী দুদিনৰ বাবে ধাৰাসাৰ বৰষুণৰ আগজাননী দি অৰেঞ্জ এলাৰ্ট জাৰি কৰাৰ লগতে দেশৰ উত্তৰ আৰু পূব অংশতো  মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰ, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, হিমাচল প্ৰদেশ আৰু পূব উত্তৰ প্ৰদেশত আজিৰ দিনটোত আৰু ৰাজস্থানৰ পূব অংশৰ লগতে উত্তৰাখণ্ডত অহা ১৫ জুলাই পৰ্যন্ত বতৰৰ এনে পৰিস্থিতি অব্যাহত থাকিব বুলিও বিভাগীয় আগজাননীত প্ৰকাশ কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি কেৰালাৰ লগতে কৰ্ণাটকৰ উপকূলীয় অঞ্চলসমূহো আজিৰ দিনটো ধাৰসাৰ বৰষুণৰ কবলত পৰিব।

ইপিনে, ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত কালি সন্ধিয়া এজাক প্ৰচণ্ড বৰষুণে জনসাধাৰণক গৰমৰ পৰা সকাহ দিয়াৰ লগতে ঠায়ে ঠায়ে পানী আৱদ্ধ হৈ পৰাৰ ফলত যাতায়াত ব্যৱস্থাও ব্যাহত হয়।

০০০০০০০০০

গুজৰাটৰ বডোডৰা জিলাত কালি এখন দলং খহি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১২ লৈ বৃদ্ধি পাইছে। আজি তিনিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। দুৰ্ঘটনাস্থলীত এতিয়াও উদ্ধাৰ অভিযান অব্যাহত আছে। জিলা প্ৰশাসনে নিৰন্তৰ উদ্ধাৰ অভিযান নিৰীক্ষণ কৰি আছে। ইপিনে, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে এই ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত কালি গান্ধী নগৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়টো আলাচনা কৰা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বডোডৰা জিলাৰ পাড্ৰাৰ সমীপৰ গম্ভীৰা দলঙৰ এটা অংশ কালি পুৱা খহি পৰাত বহুকেইজন লোকৰ মৃত্যু হোৱাৰ লগতে অন্য কেইবাজনো আহত হয়। প্ৰায় চাৰি দশক পুৰণি দলংখন ভাগি পৰাত কেইবাখনো বাহন মহীসাগৰ নদীত পৰি যায়। বডোডৰা জিলা প্ৰশাসনকে ধৰি স্থানীয় কৰ্তৃপক্ষই ততালিকে উদ্ধাৰ অভিযান আৰম্ভ কৰে।

০০০০০০০০০

ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা ডা ছিলভাই দেশখনত আন দেশৰ কোনো ধৰণৰ নিয়ন্ত্ৰণ চলি থকা বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰা মন্তব্যৰ সত্যতাক অস্বীকাৰ কৰিছে। ব্ৰাজিলত উৎপাদিত সামগ্ৰীৰ ওপৰত ৫০ শতাংশ কৰ আৰোপ কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কৰা ঘোষণাৰ প্ৰত্যুত্তৰত তেওঁ এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ আৰোপ কৰা কৰৰ ব্যৱস্থাৰ বিষয়ে ঘোষণা কৰি শ্ৰী ট্ৰাম্পে আমেৰিকাৰ প্ৰযুক্তি কোম্পানীসমূহৰ বিৰুদ্ধে আক্ৰমণৰ সূচনা কৰা বুলি ব্ৰাজিলক দোষাৰোপ কৰিছে। তদুপৰি তেওঁ ২০২২ বৰ্ষৰ নিৰ্বাচনৰ ফলাফলক লৈ চক্ৰান্ত কৰাৰ অভিযোগত সম্প্ৰতি বিচাৰৰ সন্মুখীন হোৱা ব্ৰাজিলৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি জাইৰ বলছ'নাৰোৰ বিৰুদ্ধেও মইমতালিৰ অভিযোগ উত্থাপন কৰে।

ব্ৰাজিলৰ সাৰ্বভৌমত্বৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতি লুলা ডা ছিলভাই কয় যে তেওঁৰ দেশে কাৰো পৰা কোনো ধৰণৰ হস্তক্ষেপক প্ৰশ্ৰয় নিদিয়ে। তেওঁ লগতে এই কথাও স্পষ্ট কৰি দিয়ে যে বে-আইনী শাসন ব্যৱস্থাৰ চক্ৰান্তত জড়িত থকাসকলৰ বিৰুদ্ধে চলি থকা আইনগত বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে ব্ৰাজিলৰ নিজস্ব বিষয় আৰু ইয়াত বহিঃশক্তিৰ হস্তক্ষেপ মানি লোৱা নহয়।

ডিজিটেল মঞ্চৰ প্ৰসংগত ৰাষ্ট্ৰপতি ডা ছিলভাই কয় যে দেশীয়ই হওক অথবা বিদেশীয়েই হওক, যিকোনো কোম্পানীয়েই ব্ৰাজিলত কাম কৰিবলৈ হ'লে দেশখনৰ আইন মানি চলিব লাগিব। দেশখনৰ সৈতে আমেৰিকাৰ বাণিজ্যিক লেনদেনত ঘাটি হোৱাৰ দাবীক অযুক্তিকৰ আখ্যা দি ব্ৰাজিলৰ ক্ষেত্ৰত কোনো ধৰণৰ একপক্ষীয় কৰ বৃদ্ধিৰ সিদ্ধান্তৰ বিৰুদ্ধে দেশখনৰ সংশ্লিষ্ট অৰ্থনৈতিক আইনৰ অধীনত ব্যৱস্থা লোৱা হ'ব বুলিও সকীয়াই দিয়ে।

**00000**

দিল্লী এন চি আৰত আজি পুৱা ৰিখটাৰ স্কেলত চাৰি দশমিক চাৰি প্ৰাৱল্যৰ ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰাষ্ট্ৰীয় ভূকম্প বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে হাৰিয়ানাৰ ঝাজৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল।

০০০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ তৃতীয়খন টেষ্ট আজি ল'ৰ্ডছত আৰম্ভ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। এণ্ডাৰচন-তেণ্ডুলকাৰ শৃংখলাত ভাৰত আৰু ইংলেণ্ডে উভয়ে এখনকৈ টেষ্ট মেচত জয়লাভ কৰিছে। তৃতীয় টেষ্টত ভাৰতৰ বেগী বলাৰ যশপ্ৰীত বুমৰাৰ প্ৰত্যাৱৰ্তন ঘটাৰ সম্ভাৱনা আছে। দ্বিতীয় টেষ্টত খেলা ভাৰতীয় বলাৰ প্ৰসিদ্ধ কৃষ্ণা দলৰ পৰা বাদ পৰাৰ সম্ভাৱনা আছে। খেলৰ পূৰ্বে লণ্ডনত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত উপ-অধিনায়ক ঋষভ পণ্টে কয়, যে ইংলেণ্ডৰ বেগী বলাৰ জফ্ৰা আৰ্চাৰৰ কেইবাবছৰো বিৰতিৰ পাছত পুনৰ টেষ্টলৈ প্ৰত্যাৱৰ্তন ঘটাৰ পৰিপ্ৰেক্ষিতত তৃতীয়খন টেষ্ট অধিক আকৰ্ষণীয় হ'ব।

০০০০০০

সমাপ্ত